# NSD NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 12-06-2024
**Time :** 19-10 Hrs.

***<u>Assamese Evening Bulletin</u>***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শুকুৰবাৰে হবলগীয়া জি-ছেভেন শীৰ্ষ সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে কাইলৈ ইটালীলৈ বুলি ৰাওনা হব।
২। অষ্টাদশ লোকসভাৰ প্ৰথমখন অধিৱেশন অহা ২৪ জুনত আৰম্ভ হ'ব।
৩। ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে স্বামীহাৰা মহিলাসকলৰ কল্যাণ আৰু মানৱ অধিকাৰৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে কেন্দ্ৰ, ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহলৈ নিৰ্দেশনা জাৰি কৰিছে।
৪। বিজেপিৰ জ্যেষ্ঠ নেতা মোহন চৰণ মাঝিয়ে ওড়িশাত আৰু তেলুগু দেশম পাৰ্টিৰ মুৰব্বী এন চন্দ্ৰবাবু নাইডুৱে অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিছে। *আৰু*
৫। ভাৰত আজি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শুকুৰবাৰে হবলগীয়া জি-ছেভেন শীৰ্ষ সন্মিলনত অংশগ্ৰহণৰ উদ্দেশ্যে কাইলৈ ইটালীলৈ বুলি ৰাওনা হব। বিদেশ সচিব বিনয় কোৱাট্ৰাই আজি বিয়লি নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, ভাৰতক আউটৰীচ ৰাষ্ট্ৰ হিচাপে এই সন্মিলনলৈ আমন্ত্ৰণ জনোৱা হৈছে। একেৰাহে তৃতীয়বাৰৰ বাবে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত প্ৰধানমন্ত্ৰী মোদীৰ এয়া প্ৰথম বিদেশ ভ্ৰমণ হ'ব বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰীকোৱাট্ৰাই কয় যে, প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে ভাৰত আৰু গ্লোবেল চাউথৰূপে পৰিচিত ৰাষ্ট্ৰৰ সমূহৰ বাবে গুৰুত্বপূৰ্ণ বিভিন্ন বিষয় লৈ সন্মিলনত বিশ্ব নেতাসকলৰ সৈতে আলোচনাত সুযোগ প্ৰদান কৰিব। ভাৰতে জি-ছেভেন  শীৰ্ষ সন্মিলনত এইবাৰকে ধৰি একাদশ বাৰ অংশগ্ৰহণ কৰিব আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এইবেলি একেৰাহে পঞ্চম বাৰৰ বাবে সন্মিলনত অংশ লব। প্ৰধানমন্ত্ৰীয়ে শুকুৰবাৰে আউটৰীচ সত্ৰত ভাগ লব।

সন্মিলনত ভাগ লোৱাৰ সুযোগতে প্ৰধানমন্ত্ৰীয়ে জি চেভেন ৰাষ্ট্ৰগোষ্ঠীৰ নেতাসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হোৱাৰ সম্ভাৱনা আছে। শ্ৰীমোদীয়ে ইটালীৰ প্ৰধানমন্ত্ৰী জিঅৰ্জিয়া মেল'নিৰ সৈতে দ্বিপাক্ষিক আলোচনাত ভাগ লব। সাংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰত বিদেশ সচিবগৰাকীয়ে কয় যে ভাৰতে ছুইজাৰলেণ্ডত হবলগীয়া ইউক্ৰেইন শান্তি সন্মিলনত সঠিক পৰ্যায়ত অংশ লব। এইমাহত ছুইজাৰলেণ্ডত আয়োজিত এই সন্মিলনত প্ৰায় ৯০ খন দেশে অংশগ্ৰহণ কৰাৰ কথা আছে।

০০০০

অষ্টাদশ লোকসভাৰ প্ৰথমখন অধিৱেশন অহা ২৪ জুনত আৰম্ভ হ'ব। এই অধিৱেশনত নৱ নিৰ্বাচিত সদস্যসকলক শপত বাক্য পাঠ কৰোৱা হ'ব আৰু অধ্যক্ষৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে লোকসভা আৰু ৰাজ্যসভাৰ যুটীয়া বৈঠকক সম্বোধন কৰিব আৰু ৰাষ্ট্ৰপতিৰ অভিভাষণক লৈ আলোচনা

অনুষ্ঠিত হ'ব। ৰাজ্যসভাৰ অধিৰেশন ২৭ জুনত আৰম্ভ হ'ব। সংসদৰ অধিবেশন ৩ জুলাইত অন্ত পৰিব। কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰিছে। শ্ৰীৰিজিজুৱে কৈছে যে, দেশৰ জনসাধাৰণে সিদ্ধান্ত গ্ৰহণ কৰিলে আৰু এতিয়া দেশৰ প্ৰতি সেৱা আগবঢ়োৱাতো সাংসদসকলৰ দায়িত্ব। সংসদ আলাপ-আলোচনা, বিতৰ্ক আৰু ১৪০ কোটি ভাৰতীয়ৰ আশা আকাংক্ষা পূৰণৰ উপযুক্ত মঞ্চ বুলি তেওঁ মন্তব্য কৰে।

০০০০

ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে স্বামীহাৰা মহিলাসকলৰ কল্যাণ আৰু মানৱ অধিকাৰৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে কেন্দ্ৰ, ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহলৈ নিৰ্দেশনা জাৰি কৰিছে। আয়োগে এনে মহিলাসকলে কল্যাণমূলক আঁচনিসমূহৰ লাভালাভ  সহজে লাভ কৰাটো সুনিশ্চিত কৰিবলৈ পৰামৰ্শ দিছে। নিৰ্দেশনাত তেওঁলোকৰ বাবে বাসগৃহৰ ব্যৱস্থা, সম্পত্তিৰ সম অধিকাৰ, শোষণৰ পৰা সুৰক্ষা, দক্ষতা বিকাশৰ ব্যৱস্থা, বেংকিং ব্যৱস্থাৰ সুবিধা, অৰ্থনৈতিক আত্মনিৰ্ভৰশীলতা আৰু স্বাস্থ্যৰ সুবিধাকে ধৰি ১০ টা বিশেষ দিশত গুৰুত্ব আৰোপ কৰা হৈছে। আয়োগে প্ৰকাশ কৰা অনুসৰি সম্পত্তিৰ সুৰক্ষা, খাদ্য, বাসস্থান তথা মৰ্যদা সন্দৰ্ভত থকা  বিভিন্ন কল্যাণমূলক আঁচনি ৰূপায়ণৰ বাবে জিলা দণ্ডাধীশ তথা আয়ুক্তই দায়িত্ব পালন কৰা উচিত।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কুৱেইট মহানগৰীত সংঘটিত অগ্নিকাণ্ড সন্দৰ্ভত শোক প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে এটা বাতৰি জৰিয়তে আত্মীয়ক হেৰুওৱা লোকসকলৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ কৰে। তেওঁ লগতে আহতসকলৰ আশু আৰোগ্যৰ বাবেও প্ৰাৰ্থনা জনায়। তেওঁ লগতে কয় যে, কুৱেইটত থকা ভাৰতীয় দূতাবাসে পৰিস্থিতি নিবিড়ভাবে পৰ্যবেক্ষণ কৰি আছে। ভুক্তভোগীসকলক সাহায্য প্ৰদান কৰাৰ বাবে স্থানীয় কৰ্তৃপক্ষৰ সৈতে কাম কৰি আছে বুলিও তেওঁ সদৰী কৰে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে প্ৰধানমন্ত্ৰীৰ নিৰ্দেশ অনুসৰি অগ্নিকাণ্ডত আহত সকলৰ প্ৰতি সাহায্য ব্যৱস্থাৰ বুজ লোৱাৰ উদ্দেশ্যে বৈদেশিক পৰিক্ৰমা ৰাজ্যমন্ত্ৰী কীৰ্তিবৰ্ধন সিং ইতিমধ্যে কুৱেইট অভিমুখে ৰাওনা হৈছে। মন্ত্ৰীগৰাকীয়ে দুৰ্ঘটনাত নিহত সকলৰ শৰদেহ দেশলৈ ওভতাই অনাৰ বাবে স্থানীয় কৰ্তৃপক্ষক সহযোগিতা কৰিব।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰেও এই অগ্নিকাণ্ড সন্দৰ্ভত গভীৰ শোক প্ৰকাশ কৰিছে। চৰকাৰী তথ্য অনুসৰি এই অগ্নিকাণ্ডত ৪০ গৰাকী লোকে প্ৰাণ হেৰুৱাৰ লগতে ৫০ গৰাকী লোক চিকিৎসাধীন হৈ আছে। শ্ৰীজয়শংকৰে ভুক্তভোগী সকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহত সকলৰ আশু আৰোগ্য কামনা কৰে।

০০০০

কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশী আজি ৰাজ্যমন্ত্ৰী বি এল ৱাৰ্মা আৰু নিমুবেন বোম্ভানিয়াৰ সৈতে নতুন দিল্লীত থকা তেওঁৰ কাৰ্যালয়ত খাদ্য আৰু ৰাজহুৱা বিতৰণ বিভাগৰ বিষয়াসকলৰ লগত প্ৰথমখন বৈঠকত মিলিত হয়। বৈঠকত শ্ৰীযোশীয়ে প্ৰতিগৰাকী ভাৰতীয়ৰ বাবে খাদ্য সুৰক্ষা সুনিশ্চিত কৰাৰ প্ৰতিশ্ৰুতি দোহৰাৰ লগতে খাদ্য বিতৰণ ব্যৱস্থা শক্তিশালী কৰি তোলাৰ বাবে লবলগীয়া গুৰুত্বপূৰ্ণ পদক্ষেপ সন্দৰ্ভত আলোচনা কৰে। উল্লেখযোগ্য যে শ্ৰীযোশীয়ে কালি নতুন দিল্লীত গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ তথা নতুন আৰু নৱীকৰণযোগ্য শক্তি দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে।

০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা মোহন চৰণ মাঝিয়ে আজি বিয়লি ওড়িশাৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। ভূবনেশ্বৰৰ জনতা ময়দানত আয়োজিত শপতগ্ৰহণ অনুষ্ঠানত মাঝিৰ উপৰি দুগৰাকী উপ-মুখ্যমন্ত্ৰী কনক বৰ্ধন সিং দেউ আৰু প্ৰৱতি পৰিদাৰ লগতে কেইবাগৰাকীও মন্ত্ৰীয়ে শপত গ্ৰহণ কৰে। ৰাজ্যখনত নবীন পাটনায়ক নেতৃত্বাধীন বিজু জনতা দলৰ ২৪ বছৰীয়া শাসনৰ অন্তত প্ৰথমবাৰৰ বাবে বিজেপিয়ে চৰকাৰ গঠন কৰিছে। ৫২ বছৰীয়া মাঝিক সৰ্বসন্মতিক্ৰমে কালি বিজেপি বিধায়িনী দলৰ নেতা হিচাপে বাছনি কৰা হয়। এই উপলক্ষে আয়োজিত বৈঠকত দলৰ কেন্দ্ৰীয় পৰ্যবেক্ষক তথা কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং আৰু মন্ত্ৰী ভূপেন্দ্ৰ য়াদৱ উপস্থিত আছিল। আজিৰ শপত গ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, জুৱেল অ'ৰাম, ধৰ্মেন্দ্ৰ প্ৰধানকে ধৰি কেইবাগৰাকী কেন্দ্ৰীয় মন্ত্ৰী বিজেপিশাসিত ৰাজ্যসমূহৰ কেইবাগৰাকীও মুখ্যমন্ত্ৰী আৰু অন্যান্য বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰে।

০০০০

তেলুগু দেশম পাৰ্টিৰ মুৰব্বী নৰ চন্দ্ৰবাবু নাইডুৱে আজি অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰে। ৰাজ্যখনৰ কৃষ্ণা জিলাৰ কেছাৰাপল্লী আই টি পাৰ্কত আয়োজিত এটা অনুষ্ঠানত ৰাজ্যপাল এছ আব্দুল নাজিৰে আজি দিনৰ ১১ বাজি ২৭ মিনিটত তেওঁক শপতবাক্য পাঠ কৰোৱায়। নৱনিযুক্ত মুখ্যমন্ত্ৰীগৰাকীৰ সৈতে ৰাজ্যখনৰ ২৪ গৰাকী নৱনিৰ্বাচিত বিধায়কেও আজি মন্ত্ৰী পৰিষদৰ সদস্য হিচাপে শপতগ্ৰহণ কৰে। এই সকলৰ মাজত জনসেনা পাৰ্টিৰ তিনিগৰাকী আৰু ভাৰতীয় জনতা পাৰ্টিৰ এগৰাকী সদস্যয়ো আছে। আজি মন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰাসকলৰ মাজৰ অন্যতম কেইগৰাকীমান হ'ল জনসেনা পাৰ্টিৰ মুৰব্বী কে পৱন কল্যাণ, টি ডি পিৰ সাধাৰণ সম্পাদক নৰ লোকেশ আৰু জ্যেষ্ঠ বিজেপি নেতা সত্য কুমাৰ য়াদৱ।

আজিৰ শপতগ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ, কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী তথা বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰী, কিষাণ ৰেড্ডী, চিৰাগ পাছৱানৰ লগতে অনুপ্ৰিয়া পেটেল, মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ সিন্দে, মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী মোহন য়াদৱ, দেশৰ প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডু, প্ৰাক্তন মুখ্য ন্যায়াধীশ এন ভি ৰামান্না, চলচ্চিত্ৰ অভিনেতা চিৰঞ্জীৱী আৰু ৰজনীকান্তকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। আনহাতে এই শপতগ্ৰহণ অনুষ্ঠানত ছিংগাপুৰ, জাপান, দক্ষিণ কোৰিয়া, অষ্ট্ৰেলিয়া আৰু ফ্ৰান্সৰ কূটনীতিবিদসকলেও অংশগ্ৰহণ কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰাৰ বাবে এন চন্দ্ৰবাবু নাইডুক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে কয় যে, তেলেগু দেশম পাৰ্টী, জনসেনা আৰু বিজেপি চৰকাৰ অন্ধ্ৰপ্ৰদেশৰ যুৱচামৰ আকাংক্ষা পূৰণৰ লগতে ৰাজ্যখনক গৌৰৱৰ নতুন শিখৰলৈ লৈ যোৱাৰ বাবে সম্পূৰ্ণ প্ৰতিশ্ৰুতি বদ্ধ।

০০০০

উত্তৰ প্ৰদেশৰ হাৰদৈ জিলাত সংঘটিত এটা দুৰ্ঘটনাত একেটা পৰিয়ালৰ ৪ টি শিশুকে ধৰি কমেও ৮ গৰাকী লোক নিহত হয়। বালি কঢ়িওৱা এখন ৬ চকীয়া বাহনে নিয়ন্ত্ৰণ হেৰুৱাই এটা জুপুৰীত খুন্দিওৱাত দুৰ্ঘটনাটো সংঘটিত হয়। উল্লেখযোগ্য যে কানপুৰৰ পৰা হাৰদৈ অভিমুখে গৈ থকা এখন ট্ৰাক আজি পুৱা জিলাখনৰ মাল্লাৱান অঞ্চলত লুটি খাই পৰাত দুৰ্ঘটনাটো সংঘটিত হয়। ট্ৰাকখনে নাট সম্প্ৰদায়ৰ লোকসকলে পথৰ দাঁতিত নিৰ্মাণ কৰা অস্থায়ী বাসগৃহত খুন্দিয়ায়। ঘটনাৰ সম্ভেদ লভ কৰি আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ

স্থানীয় লোকসকলৰ সহায়ত ট্ৰাকখন উদ্ধাৰ কৰাৰ লগতে বালি আঁতৰাবলৈ সমৰ্থ হয়। মুখ্যমন্ত্ৰী য়োগী আদিত্য নাথে ঘটনা সন্দৰ্ভত শোক প্ৰকাশ কৰাৰ লগতে পৰিয়ালটোৰ প্ৰতি সম্ভাব্য সকলো প্ৰকাৰৰ সাহায্য আগবঢ়াবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিছে।

০০০০

ভাৰত আজি নিউয়ৰ্কৰ নাছাউ কাউণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব। দুয়োটা দল প্ৰতিযোগিতাত বৰ্তমানলৈ এখনো খেলত পৰাজিত হোৱা নাই। ইতিপূৰ্বে হৈ যোৱা খেলত ভাৰতে পাকিস্তান আৰু আয়াৰলেণ্ডৰ বিৰুদ্ধে বিজয় সাব্যস্ত কৰাৰ বিপৰীতে আমেৰিকাই কানাডা আৰু পাকিস্তানক পৰাভূত কৰিছে। ভাৰত উন্নত ৰান ৰেটৰ ভিত্তিত গ্ৰুপৰ পইণ্ট তালিকাৰ শীৰ্ষত আছে। আনহাতে আমেৰিকা এই তালিকাৰ দ্বিতীয় স্থানত আছে।

এণ্টিগুৱাত অনুষ্ঠিত প্ৰতিযোগিতাৰ আন এখন খেলত অষ্ট্ৰেলিয়াই নামিবিয়াক ৯ উইকেটত পৰাস্ত কৰে। খেলখনত নামিবিয়াই নিৰ্ধাৰণ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়া ৭৩ ৰানৰ বিজয় লক্ষ্য অষ্ট্ৰেলিয়াৰ দলটোৱে মাত্ৰ ৫ অভাৰ আৰু ৪টা বলতেই অতিক্ৰম কৰে।

আনহাতে, ফ্লৰিডাত শ্ৰীলংকা আৰু নেপালৰ মাজত হ'বলগীয়া খেলখন প্ৰতিকূল বতৰৰ বাবে এটাও বল নেখেলাকৈ পৰিত্যক্ত ঘোষণা কৰা হয়।

০০০০

সমাপ্ত